**2019**

# PHILOSOPHY

( General )

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

নিৰ্দেশানুযায়ী তলত দিয়াবোৰৰ উত্তৰ দিয়া :

*(a)* What is the yardstick of truth according to the Pragmatic theory of truth?

সত্যৰ উপযোগিতা মতবাদ অনুসৰি সত্যতাৰ মাপকাঠি কি?

*(b)* Choose the correct alternative :

শুদ্ধ বিকল্পটো বাচি উলিওৱা :

The supporters of the coherence theory are idealist / realist.

সংগতিবাদৰ সমৰ্থকসকল হৈছে ভাৱবাদী / বাস্তৱবাদী।

*(c)* Name the theory of truth which admits the degrees of truth.

সত্যতাৰ মাত্ৰা স্বীকাৰ কৰা সত্যতা সম্বন্ধীয় মতবাদটোৰ নাম লিখা।

*(d)* Choose the correct alternative :

শুদ্ধ বিকল্পটো বাচি উলিওৱা :

Spinoza's theory of substance is known as polytheism / pantheism / monotheism.

স্পিনোজাৰ দ্ৰব্যতত্ত্বক বহুঈশ্বৰবাদ / সৰ্বেশ্বৰবাদ / একেশ্বৰবাদ বুলি জনা যায়।

*(e)* How many categories of knowledge are there according to Aristotle?

এৰিষ্টটলৰ মতে জ্ঞানৰ প্ৰবৰ্গ বা প্ৰকাৰসমূহ কেইপ্ৰকাৰৰ?

*(f)* Mention any one characteristic of Time.

কালৰ যি কোনো এটা বৈশিষ্ট্য উল্লেখ কৰা।

*(g)* "Space and Time are empirically real but transcendentally ideal." Who is associated with this statement?

"দেশ আৰু কাল অভিজ্ঞতামূলক হিচাপে বাস্তৱ কিন্তু অতীন্দ্ৰিয়ভাৱে ভাবাত্মক বা আদৰ্শাত্মক।" এই উক্তিটোৰ লগত জড়িত দাৰ্শনিকগৰাকী কোন?





*(h)* Which theory of meaning is associated with elimination of metaphysics?

অধিবিদ্যা বৰ্জনৰ লগত কোনটো অৰ্থবিষয়ক তত্ত্ব জড়িত হৈ আছে?

*(i)* Is determinism a doctrine of universal causation?

নিয়তিবাদ সাৰ্বিক কাৰণতাবাদ হয়নে?

*(j)* Which of the following statements is correct?

তলৰ কোনটো উক্তি শুদ্ধ?

*(i)* Existentialists think that life can be known completely by reason.

অস্তিত্ববাদীসকলে ভাৱে যে বুদ্ধিৰ দ্বাৰা জীৱনক সম্পূৰ্ণ জানিব পাৰি।

*(ii)* Existentialists think that life cannot be known completely by reason.

অস্তিত্ববাদীসকলে ভাৱে যে বুদ্ধিৰ দ্বাৰা জীৱনক সম্পূৰ্ণ জানিব নোৱাৰি।

*(iii)* Existentialism supports naturalism.

অস্তিত্ববাদে প্ৰকৃতিবাদক সমৰ্থন কৰে।

2. Briefly answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

(a) Briefly explain any one defect or criticism of correspondence theory of truth.

সত্যতা সম্পৰ্কীয় সাদৃশ্যবাদ বা অনুৰূপতাবাদ তত্ত্বটোৰ যি কোনো এটা দোষ বা সমালোচনা চমুকৈ ব্যাখ্যা কৰা।

(b) What is truth, according to Locke?

লকৰ মতে সত্য কি?

(c) What do you mean by category of knowledge?

জ্ঞানৰ প্ৰবৰ্গ বা প্ৰকাৰ বুলিলে কি বুজা?

(d) What is conceptual Space?

ধাৰণাগত দেশ মানে কি?

(e) What do you mean by fatalism?

অদৃষ্টবাদ বুলিলে কি বুজা?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write a short note on the nature and criterion of truth.

সত্যৰ স্বৰূপ বা প্ৰকৃতি আৰু মানদণ্ড বা পৰীক্ষণৰ বিষয়ে এটা চমু টোকা লিখা।





(b) Write a short note on 'Russellian correspondence theory of truth' *or* 'logical theory of correspondence'.

'সত্যতা বিষয়ক ৰাছেলীয় সাদৃশ্যবাদ বা অনুৰূপতাবাদ' বা 'অনুৰূপতাৰ যুক্তিবাদ'ৰ বিষয়ে এটা চমু টোকা লিখা।

(c) Briefly explain the rationalist view on Space and time.

দেশ আৰু কাল সম্পৰ্কীয় বুদ্ধিবাদী মতটো চমুকৈ ব্যাখ্যা কৰা।

(d) Briefly explain the psychological argument in favour of determinism.

নিয়তিবাদৰ সপক্ষে থকা মনোবৈজ্ঞানিক যুক্তিৰ বিষয়ে চমু ব্যাখ্যা আগবঢ়োৱা।

(e) Write a short note on Mill's view of causality.

কাৰণতাবিষয়ক মিলৰ মতৰ বিষয়ে এটি চমু টোকা লিখা।

(f) How does A. J. Ayer draw the distinction between strong and weak verification?

এ. জে. আয়াৰে কেনেদৰে সবল আৰু দুৰ্বল সত্যাপনৰ মাজত পাৰ্থক্য দেখুৱাইছে?

4. Explain and examine the coherence theory of truth. 10

সত্যতাৰ সংগতিবাদ তত্ত্বটো ব্যাখ্যা কৰি পৰীক্ষা কৰা।

*Or / অথবা*

Explain and examine the pragmatic theory of truth.

সত্যতাৰ উপযোগিতা তত্ত্বটো ব্যাখ্যা কৰি পৰীক্ষা কৰা।

5. Are Space and Time subjective or objective? Discuss. 10

দেশ আৰু কাল আত্মগত নে বস্তুগত? আলোচনা কৰা।

*Or / অথবা*

Explain Descartes' view of substance.

ডেকাৰ্টৰ দ্ৰব্য সম্পৰ্কীয় মত ব্যাখ্যা কৰা।

6. What is indeterminism? Give four arguments against indeterminism or freedom of will. 2+8=10

অনিয়তিবাদ বা স্বাতন্ত্র্যবাদ কি? অনিয়তিবাদ বা ইচ্ছাৰ স্বাধীনতাৰ বিপক্ষে চাৰিটা যুক্তি আগবঢ়োৱা।

*Or / অথবা*

Write an essay on self-determinism. 10

আত্ম-নিয়ন্ত্ৰণবাদ বা স্ব-নিয়ন্ত্ৰণবাদৰ বিষয়ে এখনি ৰচনা লিখা।





7. Discuss briefly any five general characteristics of existentialism. 2×5=10

অস্তিত্ববাদৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ যি কোনো পাঁচটাৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা।

*Or / অথবা*

Discuss the salient features of logical positivism. 10

তৰ্কীয় প্ৰত্যক্ষবাদৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰা।

★★★